# অৱতৰণিকা

**০.০ অৱতৰণিকা ঃ**

একোটা জাতীয় জীৱন সংগঠিত হয় মূল চাৰিটা উপাদানেৰে ঃ জনসংখ্যা, ভাষা, সাহিত্য আৰু সংস্কৃতি। অসম আৰু অসমৰ জনজীৱন উক্ত উপাদানসমূহৰ সাৰ্থক সমাহাৰেৰে ভৰপূৰ। সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত অসমীয়া সমাজ প্ৰচুৰ পৰিমাণে সমৃদ্ধ। ভাষাৰ ক্ৰমবিকাশৰ জটিল সময়খিনিত অৰ্থাৎ খ্ৰীষ্টিয় দশম-একাদশ শতিকাত ভাৰতীয় আৰ্যভাষা সমূহৰ অন্যতম প্ৰশাখা অসমীয়া ভাষাই স্বকীয় ৰূপ লাভ কৰিবলৈ উপক্ৰম কৰিছিল। মধ্যযুগত শঙ্কৰদেৱে অপ্ৰমাদী কবি বুলি আখ্যা দিয়া মাধৱ কন্দলিৰ হাতত অসমীয়া ভাষাই এটি সুসংহত সাহিত্যিক ৰূপ লাভ কৰে। সংস্কৃত ৰামায়ণৰ 'সপ্তকাণ্ড ৰামায়ণ'ৰ বুলি মাধৱ কন্দলিয়ে কৰা নিটোল অসমীয়া অনুবাদে অসমীয়া ভাষাক সাহিত্যিক মৰ্য্যদা প্ৰদান কৰিলে। এই ধাৰাটো শঙ্কৰদেৱে আগবঢ়াই আনি অসমীয়া সমাজৰ সমসাময়িক প্ৰেক্ষাপটত নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ অৰ্থে কীৰ্তন-ঘোষাকে প্ৰমুখ্য কৰি নানা কাব্য নাট-গীত আদি ৰচনা কৰে। অসমত ধৰ্মীয় আৰু সামাজিক জীৱনত অতিকে জনপ্ৰিয় হ'ল কীৰ্তন পুথি। গ্ৰন্থখনিয়ে অসমীয়া জন-জীৱনৰ সামাজিক সাংস্কৃতিক পৰিচয় সূক্ষ্মভাৱে বহন কৰি আহিছে। অসমীয়া লোকজীৱনৰ উক্ত গ্ৰন্থৰ সতে থকা আত্মিক সম্পৰ্কৰ তাৎপৰ্য বিচাৰ গৱেষণাৰ মূল বিষয়।

**০.১ বিষয়ৰ পৰিচয় ঃ**

সৰ্বভাৰতীয় পটভূমিত বিশিষ্ট স্থান লাভ কৰিবলৈ সক্ষম হোৱা নৱবৈষ্ণৱ ধৰ্মৰ প্ৰতিষ্ঠাতা, প্ৰচাৰক, প্ৰসাৰক শ্ৰীমন্ত শঙ্কৰদেৱৰ বিশাল সাহিত্যকৃতিয়ে সমগ্ৰ অসমীয়া লোকজীৱনত ব্যাপক প্ৰভাৱ বিস্তাৰ কৰি আহিছে। অসমীয়া জাতীয় জীৱনক বিশেষভাৱে প্ৰভাৱান্বিত কৰা মহাপুৰুষ গৰাকীৰ আপুৰুগীয়া সাহিত্যিক নিদৰ্শন হ'ল কীৰ্তন-ঘোষা। শঙ্কৰী সংস্কৃতিৰ পৰম ভক্তিতত্ত্ব আৰু কাব্যশিল্পৰ অনন্য সমন্বয়ৰ পৰিচায়ক কীৰ্তন-ঘোষাক অসমীয়া জাতীয় জীৱনৰ আধাৰস্বৰূপে অভিহিত কৰিব পাৰি। অসমৰ জাতীয় জীৱনক এক সু-সংগঠিত তথা পৰিমাৰ্জিত শৈলী প্ৰদান কৰিবলৈ সক্ষম হৈছিল শ্ৰীমন্ত শঙ্কৰদেৱৰ অনবদ্য সাংস্কৃতিক সাহিত্যিক নৱ-জাগৰণৰ মাজেৰে বিকশিত হোৱা নৱ-বৈষ্ণৱ ধৰ্মই। অসমৰ থলুৱা সমাজৰ অনাখৰী লোকৰ উপযোগীকৈ ধৰ্মচৰ্চাৰ উদ্দেশ্যেৰে শংকৰদেৱে এলানি পুথি ৰচনা কৰিছিল আৰু তাৰে অন্যতম হ'ল 'কীৰ্তন-পুথি'। এই গ্ৰন্থত নৱবৈষ্ণৱ ধৰ্মৰ সাৰমৰ্ম সংৰক্ষিত হৈ আছে আৰু প্ৰায় চাৰে পাঁচ শতাধিক বৰ্ষৰো অধিক কাল জুৰি উক্ত গ্ৰন্থই অসমীয়া জন-জীৱন শৃংখলিত ৰূপত পৰিচালিত হোৱাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। গতিকে **অসমীয়া লোকজীৱনত কীৰ্তন-ঘোষাৰ প্ৰভাৱ**

বিষয়টি গৱেষণা কাৰ্যৰ বাবে উপযোগী বুলি বিবেচনা কৰা হৈছে।

পুৰণি অসমীয়া সমাজ জীৱনৰ বিবিধ দিশ সূক্ষ্মভাৱে পৰ্যবেক্ষণ কৰি বিশিষ্ট ধৰ্মগুৰু গৰাকীয়ে সাহিত্য-ৰসৰ মাধ্যমেৰে ভক্তি, জ্ঞান আৰু আনন্দৰ বাণী বিতৰণ কৰিছিল। কীৰ্তন-ঘোষা তাৰেই সাৰ্থক উদাহৰণ। শঙ্কৰদেৱৰ পৰৱৰ্তী সময়ত বিকাশ লাভ কৰা নামঘৰ সমূহত কীৰ্তন-ঘোষাৰ শ্ৰৱণ-কীৰ্তন পৰম্পৰা হিচাপে গঢ় লৈ উঠিছে। অসমৰ জাতীয় জীৱনত আৰু মনোজগতত ধৰ্মীয় কাব্যগ্ৰন্থ কীৰ্তন-ঘোষাই জন্মলগ্নৰ পৰাই সুদীৰ্ঘ সময় জুৰি সাম্প্ৰতিক প্ৰেক্ষাপটতো স্থায়ী প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছে। ধৰ্ম, সাহিত্য আৰু সংস্কৃতিৰ মাজত এক অপূৰ্ব সংযোগ কীৰ্তন-ঘোষাৰ মাধ্যমেৰে অহৰহ গতিশীল ৰূপত প্ৰবাহমান হৈ আহিছে। ধৰ্মীয় জগতখনত নিৰপেক্ষ স্থিতি গ্ৰহণ কৰিবলৈ সক্ষম হৈছে যুগজয়ী পুথিখন। কাৰণ বিষ্ণুভক্তি প্ৰকাশক বক্তব্য থাকিলেও ছন্দ-ৰস-অলংকাৰৰ কাব্যিক সৌন্দৰ্যৰ বাবে সকলো শ্ৰেণীৰ পাঠকেই ইয়াৰ পঠনত আনন্দ বিচাৰি পাব পাৰে। কীৰ্তন-ঘোষাৰ জৰিয়তেই বিশৃংখলতা পূৰ্ণ অসমীয়া সমাজখনত শঙ্কৰদেৱে এক বিশিষ্ট ধৰ্মীয় নৱজাগৰণ তথা ধৰ্মীয়-সাংস্কৃতিক আন্দোলনৰ প্ৰচাৰ ব্যাপক কৰিবলৈ সক্ষম হৈছিল। নৱ বৈষ্ণৱ ধৰ্ম অৰ্থাৎ একশৰণ হৰিনাম ধৰ্মত শ্ৰৱণ, কীৰ্তন, অৰ্চন, বন্দন, স্মৰণ, দাস্য, সখিত্ব, আত্মনিবেদন আৰু পদসেৱন- উক্ত নৱবিধ ভক্তিৰ ভিতৰত শঙ্কৰদেৱে শ্ৰৱণ আৰু কীৰ্তনক শ্ৰেষ্ঠ আখ্যা দিছিল। গতিকে দ্বাদশ স্কন্ধ ভাগৱত, শ্ৰীমদ্ভাগৱত পুৰাণ, গীতা, পদ্মপুৰাণ আদি শাস্ত্ৰৰ সাৰ সংগ্ৰহ কৰি শঙ্কৰদেৱে কীৰ্তন-ঘোষাৰ খণ্ডসমূহ ৰচনা কৰিছিল। এই খণ্ডসমূহত একোটি কাহিনী বৰ্ণনা কৰা হয়। গতিকে সাধাৰণ শ্ৰোতাৰ বাবে ই আকৰ্ষণীয় আছিল। আনন্দৰ আঁৰত থকা ধৰ্মীয় শিক্ষাও অনায়াসে লাভ কৰিছিল। জীৱন কালৰ নানা সময়ত নানা ঠাইত ভ্ৰমি ফুৰাৰ মাজে মাজে শংকৰদেৱে কীৰ্তনৰ খণ্ড সমূহ ৰচনা কৰিছিল।

শ্ৰীমন্ত শঙ্কৰদেৱ এগৰাকী সচেতন সমাজ সংস্কাৰক। ধৰ্ম, সাহিত্য আৰু সংস্কৃতিৰ কলাত্মক সংমিশ্ৰণেৰে বিশিষ্ট ধৰ্মনেতা গৰাকীয়ে সমসাময়িক সমাজখনৰ ধৰ্মীয় বিশৃংখলতা দূৰীকৰণৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছিল। সেই উদ্দেশ্যেৰে তেওঁ স্বাভাৱিকতে সৰ্বভাৰতীয় স্তৰৰ পৰা লাভ কৰা অভিজ্ঞতা পুষ্ট জীৱন-দৰ্শনক অসমীয়া সমাজত প্ৰতিষ্ঠিত কৰিবলৈ মানৱ জীৱনৰ সমাজ শৃংখল অতি সূক্ষ্মভাৱে বিশ্লেষণ-পৰ্যবেক্ষণ কৰিছিল। কীৰ্তন-ঘোষাত এই কথা গভীৰভাৱে প্ৰচ্ছন্ন হৈ আছে। সুদীৰ্ঘ সময়ৰ পৰিক্ৰমাত কীৰ্তন-ঘোষাত প্ৰচ্ছন্ন থকা অসমীয়া সমাজখনে বিবিধ বিৱৰ্তনৰ পাছতো শঙ্কৰী দৰ্শনৰ গভীৰতাৰে সাম্প্ৰতিক সময়তো স্থায়িত্ব লাভ কৰিবলৈ সক্ষম হৈছে। পৰম্পৰাগত লোক জীৱনৰ

এক ধাৰানুক্ৰমিক পৰিসীমা - অতীত (শঙ্কৰী যুগ)ৰ পৰা সাম্প্ৰতিক সময়লৈকে অসমীয়া জনজীৱনৰ বিবিধ দিশত কীৰ্তন-ঘোষা বিশেষভাৱে সম্পৃক্ত আৰু সমাদৃত হৈ থকাৰ অৰ্ন্তনিহিত তাৎপৰ্য উদ্‌ঘাটন কৰাই প্ৰস্তাৱিত গৱেষণাকাৰ্যৰ উদ্দেশ্য।

গভীৰভাৱে লক্ষ্য কৰিলে দেখা যায় যে অসমীয়া লোকজীৱনত কীৰ্তন-ঘোষাৰ প্ৰভাৱ বিষয়টি এক সমাজতাত্ত্বিক অধ্যয়নৰ দিশ। 'লোক' শব্দটো সাধাৰণতে অনাখৰী, চহা মানুহক বুজাবলৈ ব্যৱহাৰ কৰা হয়। কিন্তু সাম্প্ৰতিক সময়ত লোকজীৱন শব্দটোৰ ব্যাখ্যা ভিন্ন হৈছে। 'লোক' শব্দৰ অভিধানিক অৰ্থ হ'ল- *মনুষ্য, মানুহ, man, mankind*।[১] অৰ্থাৎ লোকজীৱনৰ নিদেৰ্শক হৈছে সংহত সমষ্টিগত জীৱন। গতিকে সাম্প্ৰতিক সময়ত একে ধ্যান ধাৰণা তথা নিয়ম-শৃংখলা মানি চলা নিৰ্দিষ্ট সমষ্টিগত মানুহৰ জীৱন নিৰ্বাহৰ সামূহিক শৈলীক লোকজীৱন আখ্যা দিব পাৰি। অৰ্থাৎ বৰ্তমানৰ প্ৰেক্ষাপটত লোকজীৱন বুলিলে একে ধ্যান-ধাৰণাপুষ্ট বিশ্বাস আৰু সংস্কাৰ যুক্ত শিক্ষিত অশিক্ষিত সকলো স্তৰৰ লোকক সামৰি বিশেষ সামূহিক নিয়মৰ অধীনৰ লোকসমষ্টিৰ জীৱন নিৰ্বাহ শৈলীক নিৰ্দেশিত কৰিব পৰা যায়। নৱবৈষ্ণৱ ভক্তি আন্দোলনৰ পৰিপ্ৰেক্ষিতত সৃষ্ট শঙ্কৰী সাহিত্যৰ অন্যতম শ্ৰেষ্ঠ সৃষ্টি 'কীৰ্তন-ঘোষা'ত অসমীয়া জাতিৰ সাংস্কৃতিক চিন্তা-চেতনা, অনুভৱৰ সাৰ্থক প্ৰতিফলন ঘটিছে। পুথিখনৰ প্ৰত্যেক অধ্যায়তে একো একোটা সুন্দৰ কাহিনী সন্নিৱিষ্ট হৈ আছে। সামাজিক পাৰিবাৰিক-সাংস্কৃতিক দায়বদ্ধতা ৰক্ষিত হোৱা কাহিনী বিলাকৰ মাধ্যমেৰে কীৰ্তন ঘোষাই অসমীয়া জাতীয় চেতনাক অহৰহ সংগঠিত কৰি আহিছে। শঙ্কৰী সংস্কৃতিৰ ভক্তি-তত্ত্ব আৰু কাব্যশিল্পৰ অনন্য সমন্বয়ৰ পৰিচায়ক কীৰ্তন-ঘোষাই অসমীয়া লোকজীৱন কিদৰে প্ৰভাৱিত কৰি আহিছে প্ৰস্তাৱিত গৱেষণাৰ বিচাৰ্য বিষয়।

**০.২ পূৰ্বকৃত অধ্যয়নৰ সমীক্ষা ঃ**

অসমীয়া লোকজীৱনত কীৰ্তন-ঘোষাৰ প্ৰভাৱৰ বিষয়ে ইতিপূৰ্বে কোনো আলোচনা পোৱা হোৱা নাই। গতিকে এই সম্পৰ্কে কোনো পূৰ্ণাংগ আলোচনা পোৱা নগ'ল। তথাপিও মহাপুৰুষ শঙ্কৰদেৱৰ বিষয়ে লিখা যিবোৰ কিতাপত কীৰ্তন পুথিৰ প্ৰসংগ আছে আৰু কীৰ্তন-পুথিৰ বিষয়ে যিবোৰ গ্ৰন্থ আৰু প্ৰবন্ধ ইত্যাদি পোৱা গৈছে, সেইসমূহকে পূৰ্বকৃত কৰ্ম হিচাপে ধৰা হৈছে। লক্ষ্মীনাথ বেজবৰুৱা, মহেশ্বৰ নেওগ, ডিম্বেশ্বৰ নেওগ, বাপচন্দ্ৰ মহন্ত, নাৰায়ণ দাস, সত্যেন্দ্ৰনাথ শৰ্মা, নাৰায়ণ চন্দ্ৰ গোস্বামী, নগেন শইকীয়া, হীৰেন গোঁহাই, কৰবী ডেকা হাজৰিকা, সঞ্জীৱ কুমাৰ বৰকাকতি— প্ৰভৃতি লেখকসকলে শঙ্কৰদেৱৰ বিষয়ে কৰা আলোচনাত প্ৰসঙ্গক্ৰমে সম-সাময়িক লোকজীৱনৰ কথা আৰু কীৰ্তন-পুথিৰ

১) হেমচন্দ্ৰ বৰুৱা, *হেমকোষ*, পৃ. ১২০১

বিষয়েও কিছু কথা প্ৰসঙ্গক্ৰমে উল্লেখ কৰিছে। আমাৰ আলোচনাৰ বাবে সেই অংশ সমূহে সহায় কৰিব বুলি ভবা হৈছে।

**ক) শঙ্কৰদেৱৰ বিষয়ে ৰচনা কৰা গ্ৰন্থ ঃ**

*মহাপুৰুষ শ্ৰীশ্ৰী শঙ্কৰদেৱ আৰু শ্ৰীশ্ৰী মাধৱদেৱ ঃ* লক্ষ্মীনাথ বেজবৰুৱা

গ্ৰন্থখনিত বেজবৰুৱাই চৰিত পুথিসমূহৰ আলমত শঙ্কৰদেৱৰ জীৱন ভিত্তিত তথ্য সম্বলিত আলোচনা আগবঢ়াইছে। গ্ৰন্থখনিত কীৰ্তন ঘোষাৰ ৰচনাৰ পটভূমি, সময় ইত্যাদি বিষয়ক আলোচনা আছে।

*যুগনায়ক শঙ্কৰদেৱ ঃ* ডিম্বেশ্বৰ নেওগ

গ্ৰন্থখনিত শঙ্কৰদেৱৰ ধৰ্ম আৰু দৰ্শনৰ বিষয়ে উল্লেখ আছে। কীৰ্তন-ঘোষাৰ ৰচনাৰ কাৰণ, পৰিস্থিতি সময় সম্পৰ্কেও গ্ৰন্থখনিত চমু আলোচনা আছে।

*শ্ৰীশ্ৰী শঙ্কৰদেৱ ঃ* মহেশ্বৰ নেওগ

ছটা খণ্ডত বিভক্ত গ্ৰন্থখনিত শ্ৰীমন্ত শঙ্কৰদেৱে জীৱন চৰিত, শঙ্কৰী সাহিত্য-সংস্কৃতি দৰ্শনৰ আভাস, পৰৱৰ্ত্তী কালৰ শঙ্কৰী ধৰ্ম-সংস্কৃতি দৰ্শনৰ পৰিণতি বিশ্লেষণেৰে শঙ্কৰদেৱে সাহিত্য তথা সমাজ সংৰচনাৰ সামগ্ৰিক সমীক্ষা গ্ৰন্থখনত আছে। তদুপৰি কীৰ্তন-ঘোষাৰ খণ্ডসমূহৰ ৰচনাৰ সময় সম্পৰ্কেও আলোচনা আছে।

*পুৰণি অসমীয়া সমাজ সংস্কৃতি আৰু সত্ৰীয়া নৃত্যৰ তাল ঃ* মহেশ্বৰ নেওগ

শ্ৰীমন্ত শঙ্কৰদেৱ আৰু শঙ্কৰদেৱৰ পূৰ্বৰ সমাজৰ সাংস্কৃতিক, সামাজিক, অৰ্থনৈতিক আদি দিশৰ বিস্তৃত অধ্যয়ন এই গ্ৰন্থত কৰা হৈছে। শঙ্কৰদেৱৰ শাস্ত্ৰীয় নৃত্যৰ পৰম্পৰাগত স্থানীয় উপাদানৰ সংযোজনা ইত্যাদি দিশৰ আলোচনাইও গ্ৰন্থখনিৰ জৰিয়তে পুৰণি অসমীয়া সমাজখনৰ স্থিতি সম্পৰ্কে অৱগত কৰায়। অসমীয়া সংস্কৃতিত ওজাপালিৰ মাজতো কীৰ্তন-ঘোষাৰ ঘোষা পদৰ ব্যৱহাৰ সম্পৰ্কে কিছু উল্লেখ আছে।

*শঙ্কৰী সাহিত্যৰ ভূমিকা ঃ* নাৰায়ণ দাস

গ্ৰন্থখনিত শঙ্কৰদেৱৰ সাহিত্যৰাজিৰ বিশেষত্ব সম্পৰ্কে বিস্তৃত আলোচনা আছে। ইয়াত কীৰ্তন-ঘোষাৰ ৰচনা-লালিত্য আৰু একশৰণ হৰিনাম ধৰ্ম প্ৰসাৰক এই পুথিৰ ভূমিকা সম্পৰ্কে আলোচনা কৰা হৈছে।

*অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত ঃ* সত্যেন্দ্ৰনাথ শৰ্মা

এইখন অসমীয়া সাহিত্যৰ বুৰঞ্জীমূলক গ্ৰন্থ। গ্ৰন্থখনত শংকৰীযুগৰ সাহিত্যৰ শিতানত কীৰ্তনঘোষাৰ পৰিচয় সূচক আলোচনা আৰু ৰচনাশৈলীৰ বিশেষত্ব সম্পৰ্কে উল্লেখ আছে।

*বিষয় ঃ শঙ্কৰদেৱ ঃ* নগেন শইকীয়া

উল্লিখিত গ্ৰন্থখনিত অসামান্য শঙ্কৰদেৱ, শঙ্কৰদেৱৰ দৃষ্টি আৰু দৰ্শন, কীৰ্তন-ঘোষাৰ প্ৰসংগ, জাতীয় জীৱনত পৰিব্যাপ্ত শঙ্কৰদেৱ অসমৰ সমাজ-জীৱনৰ ৰূপান্তৰৰ খনিকৰ শঙ্কৰদেৱ ইত্যাদি প্ৰৱন্ধ সন্নিৱিষ্ট কৰা হৈছে। প্ৰস্তাৱিত গৱেষণাৰ দিশৰ উক্ত গন্থখনে বিশেষভাৱে তথ্য প্ৰদান কৰিব।

*মহাপুৰুষীয়া পৰম্পৰাত সত্ৰ আৰু সংগীত ঃ* বাপচন্দ্ৰ মহন্ত

গ্ৰন্থখনিত সত্ৰত চলি অহা সংগীতৰ পৰম্পৰা সম্পৰ্কে আলোচনা কৰা হৈছে। শঙ্কৰদেৱে প্ৰচলন কৰি যোৱা নামপ্ৰসঙ্গমূলক চৰ্চা কীৰ্তন ঘোষাৰ শ্ৰৱণ কীৰ্তনক সত্ৰ সংগীতৰ অৰ্ন্তভুক্ত কৰাৰ সন্দৰ্ভত কিছু আলোচনা ইয়াত আছে।

*শ্ৰীমন্ত শঙ্কৰদেৱে কৃতি আৰু কৃতিত্ব ঃ* শিৱনাথ বৰ্মন

উল্লিখিত গ্ৰন্থখনিত আৰ্থসামাজিক ভিত্তিত সৰ্বভাৰতীয় ভক্তি আন্দোলনৰ বিশ্লেষণ আগবঢ়োৱা হৈছে। পৰ্যায়ক্ৰমে অসমীয়া সমাজখনৰ প্ৰাক্‌শঙ্কৰী ধৰ্মীয় পৰিৱেশ, শ্ৰীমন্ত শঙ্কৰদেৱৰ সমসাময়িক সমাজখনৰ পৰিচয়, সাংসাৰিক জগতৰ শঙ্কৰী ধৰ্মৰ প্ৰভাৱ, সামন্তযুগীয় অৰ্থনীতি সামাজিক জীৱনশৈলী ইত্যাদি দিশ আলোচনা কৰা হৈছে।

*শ্ৰীমন্ত শঙ্কৰদেৱ আৰু উত্তৰ পূৰ্বাঞ্চলৰ জনগোষ্ঠী ঃ* প্ৰদীপ হাজৰিকা (সম্পা.)

শ্ৰীমন্ত শঙ্কৰদেৱৰ উদাৰনৈতিক আদৰ্শই জাত-কুলৰ প্ৰাচীৰখন ভাঙি জাতি-জনজাতি নিৰ্বিশেষে প্ৰগতিশীল পথত অগ্ৰসৰ হোৱাৰ ক্ষেত্ৰত অৱদান আগবঢ়াইছিল।— এই দিশত উত্তৰ-পূৰ্বাঞ্চলৰ জনগোষ্ঠীসমূহৰ লগত শ্ৰীমন্ত শঙ্কৰদেৱে কেনেদৰে সম্পৰ্কিত আছিল- গ্ৰন্থখনিয়ে উক্ত দিশবোৰ উন্মোচন কৰাৰ লগতে কীৰ্তন-ঘোষাৰ ৰচনাৰ পৃষ্ঠভূমি সম্পৰ্কে কিছু আভাস পাব পাৰি।

*অসমীয়া সমাজ আৰু নৱবৈষ্ণৱবাদ ঃ* অনিল ৰায়চৌধুৰী

গ্ৰন্থখনি শ্ৰীমন্ত শঙ্কৰদেৱৰ মহাপ্ৰয়াণৰ পৰৱৰ্তী সময়ত আৰ্থসামাজিক পটভূমিত সমাজ-জীৱিকা ইত্যাদিৰ বিশ্লেষণ আগবঢ়োৱা হৈছে। গ্ৰন্থখনিত নৱবৈষ্ণৱ ধৰ্ম আৰু কীৰ্তন-ঘোষা ৰচনাৰ সামাজিক পটভূমি সম্পৰ্কে আলোচনা পোৱা যায়।

*সৰ্বভাৰতীয় ভক্তি আন্দোলন আৰু শঙ্কৰদেৱৰ মূল্যায়ন ঃ* মেদিনী চৌধুৰী

গ্ৰন্থখনিত শ্ৰীমন্ত শঙ্কৰদেৱৰ সময়ৰ শ্ৰেণীবিভক্ত সমাজৰ ৰূপৰেখা অঙ্কন কৰিবলৈ প্ৰয়াস কৰা হৈছে। স্থানীয় সমাজখনৰ প্ৰতি থকা শ্ৰীমন্ত শঙ্কৰদেৱৰ সংবেদনশীল অনুভৱ আৰু দায়বদ্ধতা প্ৰসঙ্গত গ্ৰন্থখনিত বিচাৰ-বিশ্লেষণ কৰা হৈছে। শঙ্কৰদেৱৰ পূৰ্বপুৰুষৰ গুৰি স্থানীয় নাছিল হেতুকে তেওঁ সমসাময়িক অসমীয়া জনগোষ্ঠীয় সমাজৰ পৰিচয় সম্পৰ্কে বিশেষ সচেতন ভাৱে জ্ঞান আহৰণ কৰিছিল। সেইবাবে স্থানীয় কছাৰী, ৰাজবংশী, মেছ আদি গোষ্ঠীৰ মাজত জনপ্ৰিয় দেৱতা শিৱকো কীৰ্তন ঘোষাৰ মাজত নাম অপৰাধ খণ্ডত বিষ্ণু তুল্য বুলি আৰধনা কৰিবলৈ দীক্ষা দিছে।[২]

গুণনাম যত বিষ্ণু শিৱৰ।
তাক ভিন্ন বুলি কৰৈ যিটো নৰ।।
নামৰ সিও মহা অপৰাধী। — কীৰ্তন

*শঙ্কৰদেৱৰ কাব্যত সামাজিক আৰু নৈসৰ্গিক চিত্ৰ ঃ* অনুপ কুমাৰ বৰুৱা

উক্ত গ্ৰন্থত শঙ্কৰদেৱৰ কাব্য কেইখনিত প্ৰাপ্ত সামাজিক আৰু প্ৰাকৃতিক পৰিৱেশৰ সমীক্ষা চলোৱা হৈছে। উক্ত গ্ৰন্থৰ আৰ্হি অধ্যয়ন কৰি প্ৰস্তাৱিত গৱেষণাকাৰ্যত অসমীয়া সমাজত কীৰ্তন-ঘোষা আধাৰিত লোকজীৱনৰ বিশ্লেষণ কৰাত সহায় হ'ব।

*শঙ্কৰী সাহিত্য আৰু সংস্কৃতিৰ বৈশিষ্ট্য ঃ* সঞ্জীৱ কুমাৰ বৰকাকতি

গ্ৰন্থখনিত সামগ্ৰিক ভাৱে শঙ্কৰদেৱৰ সাহিত্যৰ ৰচনাশৈলীৰ বৈশিষ্ট্য আৰু সাংস্কৃতিক অৱদান সম্পৰ্কে আলোচনা কৰা হৈছে। কীৰ্তনৰ ৰচনাশৈলীৰ ওপৰতো সামান্য আলোচনা আছে।

*ভাৰতীয় ভক্তি আন্দোলনৰ পটভূমিৰ শংকৰদেৱ ঃ* মিলন নেওগ

অসমীয়া জাতীয় জীৱনক বিশেষ মাত্ৰা প্ৰদান কৰা শ্ৰীমন্ত শঙ্কৰদেৱৰ অৱদান, অসমৰ বৈষ্ণৱবাদৰ ঐতিহাসিক বিকাশ, শঙ্কৰী অভিনয়, কীৰ্তন-ঘোষাৰ ৰাগ ৰচনা, সংগীত ইত্যাদি সুকুমাৰ কলাৰ লগতে সাহিত্যিক শৈলীৰ বিহঙ্গম দৃষ্টিৰ পৰ্যালোচনা গ্ৰন্থখনত আছে।

**খ) কীৰ্তন-ঘোষাৰ বিষয়ে ৰচনা কৰা গ্ৰন্থ ঃ**

*সৰ্বভাৰতীয় ভক্তি আন্দোলন আৰু শঙ্কৰদেৱৰ কীৰ্তন-ঘোষা ঃ* ভৱজিৎ বায়ন

গ্ৰন্থখনিত সৰ্বভাৰতীয় পটভূমিত ভক্তি আন্দোলনৰ স্বৰূপ ব্যাখ্যা কৰা হৈছে। শ্ৰীমন্ত শংকৰদেৱৰ কীৰ্তন-ঘোষাৰ গুৰুত্ব গ্ৰন্থখনিৰ প্ৰতিপাদনীয় বিষয়। অসমত ভক্তি আন্দোলন আৰু নৱ বৈষ্ণৱ সাহিত্যৰ

২) মেদিনী চৌধুৰী, *সৰ্বভাৰতীয় ভক্তি-আন্দোলন আৰু শঙ্কৰদেৱৰ মূল্যায়ন*, পৃ. ১০৮

অন্যতম বিধা হিচাপে নামপ্ৰসংগ মূলক গ্ৰন্থ কীৰ্ত্তন-ঘোষাৰ মূল্যায়ন কৰা হৈছে। *কীৰ্তন-ঘোষাত সামাজিক চিত্ৰ*— শীৰ্ষক গ্ৰন্থখনিৰ তৃতীয় অধ্যায়ৰ এটি উপঅধ্যায়ত প্ৰস্তাৱিত গৱেষণা কাৰ্যৰ লগত সম্পৰ্কিত এটি দিশ চমু পৰিসৰত সন্নিৱিষ্ট আছে। তদুপৰি চতুৰ্থ অধ্যায়ত কীৰ্ত্তন-ঘোষাৰ প্ৰতিটো অধ্যায়ৰ ব্যাখ্যা আছে।

*কীৰ্তন-ঘোষা আৰু নামঘোষাৰ তত্ত্বাৰ্থ সমীক্ষা ঃ* নাৰায়ণ চন্দ্ৰ গোস্বামী

গ্ৰন্থখনিত শ্ৰীমন্ত শঙ্কৰদেৱৰ কীৰ্তন-ঘোষা আৰু মাধৱদেৱৰ নামঘোষাৰ অধ্যায়সমূহ ৰচনাৰ সমলৰ উৎস, উৎসসমূহৰ বিচাৰ, তুলনামূলক অধ্যয়ন আগবঢ়োৱা হৈছে।

*কীৰ্তনঘোষাৰ আদি কথা ঃ* মনোহৰ গায়ন

উক্ত গ্ৰন্থখনিত বৈষ্ণৱ ধৰ্মৰ লগত জড়িত বিভিন্ন দিশৰ আভাস দিয়া হৈছে।

*কীৰ্তন পুথিৰ ৰসবিচাৰ ঃ* হীৰেণ গোহাঁই

কীৰ্তন-ঘোষাৰ কাহিনীবোৰ সমাজৰ একো একোটা জীৱন্ত ৰূপক। নাটকীয় কাহিনীৰ মাধ্যমেৰে ভাষা, সাহিত্যিক ৰস, কল্পচিত্ৰৰ প্ৰয়োগ ইত্যাদিৰ সুসংমিশ্ৰণ কীৰ্তন-ঘোষাত কিদৰে আছে তাকেই গ্ৰন্থকাৰে সাৱলীল ভাষাৰে বিশ্লেষণ কৰিছে।

*কীৰ্তন ঃ এক সমীক্ষাত্মক আলোচনা ঃ* দ্বিজেন্দ্ৰ নাথ ভকত

গ্ৰন্থখনিত নামপ্ৰসঙ্গমূলক পুথি হিচাপে কীৰ্তনৰ কিছু আলোচনা পোৱা যায়। তদুপৰি ইয়াত কীৰ্তন-ঘোষাৰ ভাষা, অলংকাৰ, ছন্দ, ৰস, সম্পৰ্কীয় আলোচনাইও স্থান পাইছে। কম পৰিসৰতে একোটা কাহিনী পাঠক বা শ্ৰোতাৰ হৃদয় সংবাদী কৰি শঙ্কৰদেৱে ৰচনা কৰা কীৰ্তন-ঘোষাৰ অসমীয়া লোকজীৱনত জনপ্ৰিয়তাৰ কাৰণ সমূহ আলোচনা কৰা হৈছে।

**গ) কীৰ্তন-ঘোষা সম্পৰ্কীয় প্ৰৱন্ধ ঃ**

*কীৰ্তন-পুথিৰ ছন্দ, ৰস আৰু অলংকাৰ ঃ* কৰবী ডেকা হাজৰিকা (অসমীয়া সাহিত্যৰ ৰূপৰস)

প্ৰৱন্ধটিত কীৰ্তন-পুথিৰ ছন্দ, ৰস, অলংকাৰৰ সুন্দৰ প্ৰয়োগৰ বিষয়ে আলোচনা কৰা হৈছে। প্ৰাকৃতিক পৰিৱেশ তথা থলুৱা সমলেৰে উক্ত দিশসমূহ সাৰ্থকভাৱে ৰীতিবদ্ধ কৰাত শঙ্কৰদেৱ সফল হৈছে। গতিকে লোকজীৱনৰ সমল লেখনশৈলীৰ মাজত সোমাই থকাৰ ইংগিত প্ৰৱন্ধটিৰ পৰা লাভ কৰিব পাৰি।

*বেজবৰুৱাৰ শ্ৰীশ্ৰী শঙ্কৰদেৱ আৰু মহেশ্বৰ নেওগৰ 'Sankardeva and His Times' ঃ এটি বিশ্লেষণ ঃ* কৰবী ডেকা হাজৰিকা (গৰীয়সী)

প্ৰৱন্ধটিত বেজবৰুৱা আৰু মহেশ্বৰ নেওগে শঙ্কৰদেৱ চৰ্চাৰ বিষয়ে আলোচনা কৰা হৈছে। শঙ্কৰদেৱৰ শব্দ প্ৰয়োগৰ বিশেষত্ব সম্পৰ্কে বেজবৰুৱাই কৰা আলোচনাৰ প্ৰসঙ্গত কীৰ্তন-ঘোষাৰ হৰমোহনত ব্যৱহৃত শব্দৰ বিশ্লেষণ দেখাইছে। বেজবৰুৱাই শঙ্কৰদেৱক ঐশ্বৰিক শক্তি সম্পন্ন এজন মহাপুৰুষৰূপে প্ৰতিষ্ঠা কৰিছে। অন্যহাতেদি মহেশ্বৰ নেওগে শঙ্কৰদেৱৰ অমূল্য গ্ৰন্থসমূহত প্ৰকাশ পোৱা ভাষা সাহিত্যৰ বিশেষত্ব সমূহ বিশেষ ভাৱে আলোচনালৈ আনি মানুহ হিচাবে শঙ্কৰদেৱৰ অসামান্য ব্যক্তিত্বতহে গুৰুত্ব আৰোপ কৰিলে।

*শঙ্কৰদেৱৰ ৰচনাত লোকভাষাৰ প্ৰয়োগ ঃ* উপেন ৰাভা হাকাচাম (ভক্তি ৰসামৃত)

শঙ্কৰদেৱে 'যেন মতে স্ত্ৰী শূদ্ৰে বুঝিবাক পাৰি' নীতিৰে অসমৰ স্থানীয় ভাষাত কীৰ্তন-পুথি ৰচনা কৰিছিল। কথিত অসমীয়াৰ সহজ-সৰল ঘৰুৱা শব্দৰ সংযোজনা কীৰ্তন-পুথিৰ বিশেষত্ব। প্ৰৱন্ধটিত এই দিশৰ কিছু আলোচনা পোৱা যায়।

*মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ কীৰ্তন-ঘোষা ঃ* গীতাঞ্জলি হাজৰিকা (মহীয়সী)

প্ৰৱন্ধটিত লেখিকাই লোকসমাজত সততে ব্যৱহৃত শাৰীৰিক ভঙ্গিমাৰে মনৰ ভাৱ প্ৰকাশৰ স্বতঃস্ফুৰ্ত ইংগিত সমূহ শঙ্কৰদেৱে কীৰ্তন-ঘোষাৰ পদৰ মাজৰ পৰা বিচাৰি উলিয়াইছে। যেনে ইংগিতময় ভাৱৰ দ্বাৰা প্ৰকাশ কৰিব বিচৰা অনুভৱক দৃঢ় কৰাৰ ক্ষেত্ৰত সহজ গ্ৰাম্য ভাষাৰ প্ৰয়োগ, ভাষাৰে প্ৰকাশ কৰিব নোৱাৰা কথাবোৰ ইংগিত ধৰ্মিতাৰে প্ৰকাশ কৰাৰ ক্ষেত্ৰত শঙ্কৰদেৱে প্ৰয়োগ কৰা ৰীতিৰ বিষয়ে আলোচনা কৰিছে।

পুত্ৰৰ স্নেহে স্ৰৱৈ দুয়ো স্তন।

কৰন্ত পুত্ৰৰ মুখ চুম্বন।। — ইয়াত মাতৃৰ গভীৰ আবেগ প্ৰকাশ পাইছে। সেইদৰে মানৱ শৰীৰৰ অংগসমূহৰ বিভিন্ন প্ৰসঙ্গত প্ৰকাশ পোৱা ক্ৰিয়া-কলাপে কিদৰে কীৰ্তন-ঘোষাৰ পদ সমূহ বিশেষত্বপূৰ্ণ কৰিছে, সেই বিষয়ক আলোচনা প্ৰৱন্ধটিত আছে।

*অসমীয়া ভাষা আৰু শঙ্কৰদেৱ ঃ* বসন্ত কুমাৰ গোস্বামী (গৰীয়সী)

অসমীয়া ভাষা সাহিত্য আৰু সংস্কৃতিৰ প্ৰাচীন ৰূপটোৱে শঙ্কৰদেৱৰ কীৰ্তন-ঘোষাৰ মাজেৰে এক প্ৰতিষ্ঠিত ব্যাপ্তি আৰু গতিশীলতা লাভ কৰিছে। অসমৰ থলুৱা ভাষাক ধৰ্ম প্ৰচাৰৰ মাধ্যম ৰূপে গ্ৰহণ

কৰি কীৰ্তন ঘোষাৰ মাজতে একশৰণ হৰিনামধৰ্মৰ মূল দৰ্শন আৰোপ কৰি শঙ্কৰদেৱ সফল হৈছিল। প্ৰবন্ধটিত কীৰ্তনৰ ভাষা তথা থলুৱা শব্দসম্ভাৰ ফকৰা যোজনাৰ ব্যৱহাৰ ইত্যাদি সম্পৰ্কে বিস্তৃত আলোচনা আছে। থলুৱা শব্দৰ ব্যৱহাৰৰ ক্ষেত্ৰত কীৰ্তন-ঘোষাৰ বাক্যৰীতি সন্দৰ্ভত লেখকে আলোচনা আগবঢ়াইছে।

*শঙ্কৰদেৱৰ ভাষা অসমীয়া জাতীয় জীৱনৰ চিৰন্তন ভাষা ঃ* লীলাৱতী শইকীয়া বৰা (গৰীয়সী)

প্ৰবন্ধটিত লেখিকাই শঙ্কৰদেৱৰ ভাষা সম্পৰ্কে আলোচনা কৰিছে। শঙ্কৰদেৱে তেওঁৰ বিশাল সাহিত্য ৰাজিৰ জৰিয়তে ভাষাৰ ক্ষেত্ৰত তিনিটা ভিন্ন শৈলীৰ সৃষ্টি কৰিছে— সংস্কৃত ভাষাৰ শৈলী, পুৰণি অসমীয়া ভাষাৰ শৈলী আৰু ব্ৰজবুলি শৈলী। পুৰণি অসমীয়া ভাষাৰ শৈলী কীৰ্তন-ঘোষাৰ মাজত কেনেদৰে সুন্দৰ ভাৱে ৰক্ষিত হৈছে সেই সন্দৰ্ভত আলোচনা কৰা হৈছে।

*'কীৰ্তন-ঘোষা'ৰ লোকসামাজিক দিশ ঃ* তৰুলতা ডেকা (নামধৰ্ম)

এই প্ৰবন্ধটিত অসমৰ লোকজীৱনত শঙ্কৰদেৱ বিৰচিত কীৰ্তন-ঘোষাৰ প্ৰভাৱ কেনেভাৱে পৰিছে শিশুলীলা, কালিয়দমন, ৰাসক্ৰীড়া, কংসবধ, দামোদৰ বিপ্ৰাখ্যান আদি কীৰ্তনৰ খণ্ডসমূহত লোকজীৱন কি দৰে ফুটি উঠিছে তাকে আলোচনা কৰিছে।

*পৰিৱেশনত কীৰ্তন ঃ* কেশৱানন্দ দেৱ গোস্বামী (কথা গুৱাহাটী)

কীৰ্তন পুথিৰ জনপ্ৰিয়তা অধিক হোৱাৰ মূল কাৰণ ইয়াৰ পৰিৱেশন নীতি। নাম প্ৰসঙ্গমূলক পাঠ হিচাবে কীৰ্তন পৰিৱেশন কৰা হয়। লেখকে নামঘৰৰ প্ৰসঙ্গত কেনেদৰে সুৰ লগাই কীৰ্তন-ঘোষাৰ গীত পৰিৱেশন কৰা হয় সেই সন্দৰ্ভত বিস্তৃত আলোচনা আগবঢ়াইছে। কীৰ্তন গোৱাৰ ৰীতি পদ্ধতি আৰু সুৰ বৈচিত্ৰ্য সম্পৰ্কেও কিছুমান স্বৰলিপিসহ আলোচনা আগবঢ়াইছে।

*শঙ্কৰদেৱৰ সন্মোহন শক্তি ঃ* চন্দ্ৰপ্ৰসাদ শইকীয়া (কথা গুৱাহাটী)

শঙ্কৰদেৱে অপূৰ্ব সুৰত গাব পৰাকৈ কীৰ্তন-ঘোষাখন ৰচনা কৰিছিল। সমাজৰ নৰৈ বছৰীয়া বৃদ্ধ-বৃদ্ধাৰ পৰা প্ৰায় সকলো স্তৰৰ মানুহেই হাল বাওঁতে, কঁঠীয়া পাৰোতে, ধানৰ ডাঙৰি বান্ধোতে ইত্যাদি বিভিন্ন কামত ব্যস্ত থাকোতেও কীৰ্তন-ঘোষাৰ ঘোষাপদ আওঁৰায়। অসমীয়া গ্ৰাম্য জীৱনত শঙ্কৰদেৱৰ কীৰ্তন-ঘোষাৰ কাব্যিক ব্যঞ্জনাৰ স্পৰ্শ সদায় থাকে-এনেবোৰ দিশত আলোকপাত কৰিছে।

*শঙ্কৰদেৱৰ সাহিত্যত লোকমানস আৰু লোকজীৱন ঃ*

ৰিঞ্জুমণি শৰ্মা (শঙ্কৰদেৱৰ সাহিত্য অধ্যয়ন)

শঙ্কৰদেৱৰ সামগ্ৰিক সাহিত্যত অসমীয়া লোকজীৱনৰ প্ৰতিচ্ছৱি কি দৰে ফুটি উঠিছে সেই বিষয়ত

লেখিকাই আলোচনা আগবঢ়াইছে। কীৰ্তন-ঘোষাৰ হৰমোহন আৰু ৰাসক্ৰীড়া খণ্ডত প্ৰকাশ পোৱা অসমীয়া থলুৱা পৰিৱেশৰ বৰ্ণনা বিশ্লেষণ কৰিছে।

*মধ্যযুগৰ অসম আৰু শঙ্কৰদেৱ ঃ* প্ৰফুল্ল মহন্ত (গৰীয়সী)

প্ৰবন্ধটিত উপকথা আৰু ইতিহাসৰ আঁতধৰি মধ্যযুগীয় অসমত শঙ্কৰদেৱৰ স্থান সম্পৰ্কে লেখকে আলোচনা আগবঢ়াইছে— প্ৰবন্ধটিত কীৰ্তন ঘোষাৰ বিশেষ উল্লেখ নাই যদিও কেনেধৰণৰ পটভূমিত শঙ্কৰদেৱে কীৰ্তন-ঘোষা ৰচনা কৰিছিল তাৰ আভাস পোৱা যায়।

**ঘ) কীৰ্তন-ঘোষা সম্পৰ্কীয় প্ৰৱন্ধ থকা আলোচনী সমূহ ঃ**

*নামধৰ্ম শঙ্কৰদেৱ চৰ্চা বিশেষ সংখ্যা -২ (২০১৪ চন) ঃ* জীৱকান্ত নাথ (সম্পা.)

আলোচনীখনত লক্ষ্মীনাথ বেজবৰুৱাই অসমীয়া সাহিত্যত শঙ্কৰদেৱক প্ৰতিষ্ঠা কৰাৰ বিভিন্ন দিশসমূহ কেইবাগৰাকী লেখকে আলোচনা কৰিছে। এই সংখ্যাটোত প্ৰত্যক্ষ ভাৱে কীৰ্তন বিষয়ক প্ৰৱন্ধ নাই যদিও বেজবৰুৱাৰ দৃষ্টিভংগী আৰু কিছু সংখ্যক ৰচনাত কীৰ্তন-ঘোষাই পেলোৱা প্ৰভাৱ সম্পৰ্কে আভাস পাব পাৰি।

*নামধৰ্ম অধিবেশন সংখ্যা (২০১৫ চন) ঃ* জীৱকান্ত নাথ (সম্পা.)

আলোচনীখনত কীৰ্তন সম্পৰ্কীয় — কীৰ্তন ঘোষাত 'হৰমোহন' খণ্ডৰ আধ্যাত্মিক তত্ত্ব (লোকেন্দ্ৰ হাজৰিকা), 'কীৰ্তন-ঘোষা'ৰ লোকসামাজিক দিশ (তৰুলতা ডেকা), কীৰ্তন পুথি ঃ এটি কাব্যিক পৰ্যালোচনা (প্ৰদীপ কুমাৰ শইকীয়া) প্ৰৱন্ধ কেইটি প্ৰকাশ পাইছে। ইয়াৰ দ্বাৰা সামগ্ৰিক ভাৱে কীৰ্তনৰ অসমীয়া লোকজীৱনত পৰা প্ৰভাৱ সম্পৰ্কে চমু আভাস পোৱা যায়।

*নামধৰ্ম কীৰ্তন-ঘোষা আৰু নাম-ঘোষা বিশেষ সংখ্যা (২০১৮ চন) ঃ* ইন্দিৰা শইকীয়া বৰা (সম্পা.)

আলোচনীখনত কীৰ্তন-ঘোষা সম্পৰ্কীয় কেইবাটাও প্ৰৱন্ধ পোৱা গৈছে। শঙ্কৰদেৱৰ ধৰ্মমতৰ দাৰ্শনিক ভিত্তি (কৈলাস দাস), ভক্তি আন্দোলনৰ স্বৰ্ণসৌধ ঃ কীৰ্তন-ঘোষা (দয়ানন্দ পাঠক), কীৰ্তন-ঘোষাত গুৰুজনা (জগত চন্দ্ৰ কলিতা), বেদান্ত দৰ্শন আৰু কীৰ্তন-ঘোষা (জীৱকান্ত নাথ), কীৰ্তনৰ অজামিল উপাখ্যান ঃ হৰিনামৰ মাহাত্ম্য ব্যাখ্যান (মঞ্জু গোস্বামী), কীৰ্তন-ঘোষাৰ ৰস বিচাৰ (অঞ্জলি দেৱী), কীৰ্তন পুথিৰ সাহিত্যিক সৌন্দৰ্য ঃ এক বিশ্লেষণাত্মক অধ্যয়ন (শ্যামলী দলৈ)— প্ৰৱন্ধসমূহত কীৰ্তন-ঘোষাৰ এক সামগ্ৰিক পৰিচয় লাভ কৰা হয়।

*তুমিসি সুহৃদ আত্মা প্ৰিয়তম শ্ৰীমন্ত শঙ্কৰদেৱৰ ৮৪ তম বাৰ্ষিক অধিবেশন (২০১৫)ঃ*

জগত চন্দ্ৰ কলিতা (মুখ্য সম্পা.)

আলোচনীখনত কীৰ্তন সম্পৰ্কীয় কেইটামান প্ৰবন্ধ পোৱা যায়। বিশেষকৈ কীৰ্তন-ঘোষাৰ সামগ্ৰিক পৰিচয়সহ দুটি প্ৰবন্ধ আৰু গুৰুজনাৰ কীৰ্তন-ঘোষাপুথি স্তুতি সম্পৰ্কীয় চমু পৰ্য্যালোচনা প্ৰস্তাৱিত গৱেষণা কাৰ্যৰ লগত সম্পৰ্কিত হ'ব পৰা আলোচনা পোৱা যায়।

*বৈকুণ্ঠ দুতয় শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ ৮৫ সংখ্যক বাৰ্ষিক অধিবেশন ঃ* ভৱকান্ত দত্ত (মুখ্য সম্পা.)

স্মৰণিকা খনিত কীৰ্তন সম্পৰ্কীয় বহুকেইটি প্ৰৱন্ধ পোৱা যায়। কীৰ্তনত বৰ্ণন-বৈভৱ ঃ চিত্ৰকল্প (সুৰেশ চন্দ্ৰ বৰা), কীৰ্তন-ভাগৱতত ৰাসক্ৰীড়া বৰ্ণনা আৰু ইয়াৰ তাৎপৰ্য (ভীমকান্ত কোঁৱৰ), কীৰ্তন কীৰ্তি ঃ ৰচনা আৰু সম্পাদনাৰ ইতিহাসত কীৰ্তন-ঘোষা (প্ৰবীণ কুমাৰ নেওগ), শঙ্কৰদেৱৰ সাহিত্যত লোকজীৱনৰ প্ৰসংগ (মৃণাল কুমাৰ বৰুৱা), কীৰ্তন-ঘোষাৰ শিশুলীলা খণ্ডৰ তাৎপৰ্য (ৰশ্মিৰেখা বৰা)— আদি আলোচনা সমূহত কীৰ্তনৰ এক সামগ্ৰিক আভাস পোৱা যায়।

*কথা গুৱাহাটী শঙ্কৰদেৱ চৰ্চা - ১ (চেপ্তেম্বৰ ২০০৫)ঃ*

ৰঞ্জিত কুমাৰ দেৱগোস্বামী (মুখ্য সম্পা.)

আলোচনীখনত কীৰ্তনৰ বিষয়ে বহুকেইটি প্ৰৱন্ধ পোৱা যায়। বিশেষকৈ হৰমোহনৰ কবিতা সম্পৰ্কীয় হৰেকৃষ্ণ ডেকাৰ প্ৰবন্ধটিত থলুৱা পৰিৱেশ প্ৰকাশ ভাষা শৈলীৰ ব্যৱহাৰ সম্পৰ্কে আলোচনা কৰা হৈছে। কাব্যৰসৰ সু-সমাহাৰৰে গায়ন উপযোগী কীৰ্তন-ঘোষাৰ মাজত থকা সাংগীতিক স্পন্দন ভংগীৰ বিষয়ে আলোচনা কৰা হৈছে। তদুপৰি কেশৱানন্দ দেৱ গোস্বামীৰ পৰিৱেশনত কীৰ্তন শীৰ্ষক প্ৰৱন্ধটোত কীৰ্তন-ঘোষাৰ গীতি ধৰ্মিতা তথা গায়ন শৈলীৰ আলোচনা পোৱা যায়।

*কথা গুৱাহাটী শঙ্কৰদেৱ চৰ্চা - ২ (অক্টোবৰ ২০০৫)ঃ* ৰঞ্জিত কুমাৰ দেৱগোস্বামী (মুখ্য সম্পা.)

আলোচনীখনৰ এই খণ্ডত কীৰ্তনৰ বিষয়ে ঃ শঙ্কৰদেৱৰ সন্মোহন শক্তি (চন্দ্ৰপ্ৰসাদ শইকীয়া), কীৰ্তন কবিত্ব গুণ (প্ৰীতি বৰুৱা)— দুটি প্ৰবন্ধ প্ৰকাশ পাইছে। অসমীয়া থলুৱা পৰিৱেশৰ পৰা সমল বিচাৰি শঙ্কৰদেৱে কিদৰে অপূৰ্ব ব্যঞ্জনা সম্পন্ন কীৰ্তন-ঘোষা পুথিখন ৰচনা কৰিলে। সেই আলোচনাই প্ৰৱন্ধ দুটিত ঠাই পাইছে।

*গৰীয়সী (চেপ্তেম্বৰ ১৯৯৮)* ঃ চন্দ্ৰপ্ৰসাদ শইকীয়া (সম্পা.)

আলোচনীখন বিশেষ ভাৱে শঙ্কৰদেৱৰ সাহিত্যৰ বিভিন্ন দিশ সম্পৰ্কে আলোচনা থকা প্ৰৱন্ধৰে সজোৱা হৈছে। কীৰ্তনৰ বিষয়বস্তু পৰোক্ষভাৱে থকা কেইবাটিও প্ৰৱন্ধই গৱেষণা কাৰ্যত সহায় কৰিব। শ্ৰীশঙ্কৰদেৱৰ বৰ্ণন-বিলাস (মালিনী গোস্বামী), শঙ্কৰদেৱৰ ভাষাগত অৱস্থাত (কবীন ফুকন), শঙ্কৰদেৱৰ ভাষা অসমীয়া জাতীয় জীৱনৰ চিৰন্তন ভাষা (লীলাৱতী শইকীয়া বৰা), বেজবৰুৱাৰ শ্ৰীশ্ৰী শঙ্কৰদেৱ আৰু মহেশ্বৰ নেওগৰ 'Sankardeva and his Times' এটি বিশ্লেষণ (কৰবী ডেকা হাজৰিকা)— প্ৰৱন্ধ কেইটিয়ে কীৰ্তন ঘোষাৰ ভাষাশৈলী আৰু আভ্যন্তৰীণ সৌন্দৰ্য্যৰ চমু আভাস দিয়ে।

**ঙ) কীৰ্তন-ঘোষা সম্পৰ্কীয় গৱেষণা গ্ৰন্থ (এম.ফিল আৰু পিএইচ.ডি.) ঃ**

*শংকৰদেৱৰ শিশুলীলা ঃ বিষয় আৰু পাঠৰ সমীক্ষাত্মক অধ্যয়ন*

(গৱেষক ঃ প্ৰণতি কুমাৰী দত্ত)

গৱেষণা গন্থখনত শঙ্কৰদেৱৰ কীৰ্তন-ঘোষাৰ অন্তৰ্গত শিশুলীলা খণ্ডটিৰ পাঠ সমীক্ষাৰ বিষয়ে আলোচনা আগবঢ়োৱা হৈছে। বিভিন্ন সাঁচিপতীয়া পুথি আৰু বৰ্তমানে প্ৰাপ্ত সম্পাদিত ছপা কীৰ্তনঘোষা পুথিৰ শব্দৰ বানানৰ ক্ষেত্ৰত ভিন্নতা লক্ষ্যণীয় বিষয়। গতিকে প্ৰকৃততে শঙ্কৰদেৱে ব্যৱহাৰ কৰা পাঠ উদ্ধাৰ কৰিবৰ বাবে এই অধ্যয়ন কৰা হৈছিল। গৱেষিকাই কেৱল শিশুলীলা খণ্ডটিৰ পাঠ সমীক্ষা কৰি উলিয়াইছে।

*লক্ষ্মীনাথ বেজবৰুৱাৰ ৰচনাত বৈষ্ণৱ আৰু লোক সাহিত্যৰ প্ৰভাৱ*

(গৱেষক ঃ ডিম্বেশ্বৰী গগৈ)

লক্ষ্মীনাথ বেজবৰুৱাৰ সাহিত্যত শঙ্কৰদেৱৰ দৰ্শন আৰু ৰচনাৰ প্ৰভাৱ যথেষ্ট পৰিমাণে পৰিছে। শঙ্কৰদেৱে বিশেষকৈ লোকসমাজৰ উপযোগীকৈ একশৰণ নামধৰ্ম প্ৰচাৰৰ অৰ্থে কীৰ্তন-ঘোষাকে আদি কৰি বহুখিনি সাহিত্য ৰচনা কৰিলে। বেজবৰুৱাৰ ৰচনাতো বৈষ্ণৱ ধৰ্মীয় প্ৰভাৱ তথা লোকজীৱনৰ প্ৰভাৱ যথেষ্ট পৰিমাণে পৰিছে। গৱেষিকাই শঙ্কৰদেৱৰ সামগ্ৰিক সাহিত্যৰ লগতে কীৰ্তন-ঘোষাৰ প্ৰভাৱ আৰু লোকসাহিত্যৰ প্ৰভাৱ বেজবৰুৱাৰ ৰচনাত কিদৰে পৰিছে তাৰেই আলোচনা আগবঢ়াইছে।

*শঙ্কৰদেৱৰ কীৰ্তন ঃ এটি ভাষাতাত্ত্বিক অধ্যয়ন*

(গৱেষক ঃ ভবেন্দ্ৰ কলিতা)

এই গৱেষণা গ্ৰন্থখনিত কীৰ্তনৰ ভাষা তাত্ত্বিক বিশ্লেষণ কৰা হৈছে।

*সঙ্গীতস্রষ্টা শঙ্কৰদেৱ ঃ এটি অধ্যয়ন (বৰগীত আৰু কীৰ্তনঘোষাৰ বিশেষ প্ৰসঙ্গেৰে)*

(গৱেষক ঃ পৰিণীতা গোস্বামী)

শঙ্কৰদেৱে বৰগীত ৰচনাৰ জৰিয়তে অসমীয়া সংগীত জগতত শাস্ত্ৰীয় সংগীতৰ এক নতুন ধাৰাৰ সৃষ্টি কৰিলে। লগে লগে তেওঁ শ্ৰৱণ কীৰ্তনৰ জৰিয়তে নৱবৈষ্ণৱ ধৰ্মৰ প্ৰসাৰ খৰতকীয়া কৰিবৰ বাবে বিশিষ্ট নাম প্ৰসঙ্গমূলক সংগীতৰ ধাৰাও সৃষ্টি কৰিলে। কীৰ্তন-ঘোষা পাঠৰ জৰিয়তে এক সাংগীতিক ধাৰাৰ প্ৰচলনেৰে অসমীয়া সমাজত নৱজাগৰণৰ সৃষ্টি কৰিলে। অসমীয়া সমাজত সংস্কৃত শাস্ত্ৰীয় সংগীতৰ ধাৰাটোৰ লগত বিশেষভাৱে জড়িত নাছিল। শঙ্কৰদেৱেই ধ্ৰুপদী সংগীতৰ ধাৰাটোক সৰলীকৃত কৰি পুৰণি অসমীয়া ভাষাত সহজবোধ্য কৈ কীৰ্তন-ঘোষা ৰচনা কৰি এক নতুন মাত্ৰা প্ৰদান কৰিলে। কিয়নো কীৰ্তন-ঘোষাৰ পৰিৱেশন ৰীতি অতি শুৱলা।

*শঙ্কৰদেৱৰ সাহিত্যৰ নন্দনতাত্ত্বিক অধ্যয়ন*

(গৱেষক ঃ ৰুবী মহন্ত)

গৱেষণা গ্ৰন্থখনিত শঙ্কৰদেৱৰ সামগ্ৰিক সাহিত্যৰাজিৰ নন্দনতত্ত্বৰ অধ্যয়ন কৰা হৈছে। ইয়াত শঙ্কৰদেৱৰ কাব্য, নাট, গীতত ৰস-ছন্দ-অলংকাৰ সম্পৰ্কে বিস্তৃত আলোচনা আছে। তদুপৰি কীৰ্তন-ঘোষাৰ ৰস-অলংকাৰ-ছন্দ সম্পৰ্কেও বিশেষ আলোচনা কৰা হৈছে।

*হৰিনাৰায়ণ দত্ত বৰুৱাৰ প্ৰাচীন গ্ৰন্থৰ সম্পাদনাৰ বিচাৰ ঃকীৰ্তন-ঘোষাৰ আধাৰত এটি পৰ্যালোচনা*

(গৱেষক ঃ মঞ্জু লস্কৰ)

গৱেষণা গ্ৰন্থখনত প্ৰাচীন গ্ৰন্থৰ সম্পাদনা সম্পৰ্কে আলোচনা আছে। কীৰ্তন-ঘোষাৰ ছপা সংস্কৰণ সমূহ আৰু ইয়াৰ সম্পাদনাৰ বিশেষ নিয়ম সমূহৰ আলোচনা আছে। কীৰ্তন-ঘোষা ৰচনাৰ সময় আৰু সম্পাদনাৰ কাৰণ সম্পৰ্কেও অধ্যয়ন পোৱা যায়।

*গুৰু চৰিত কথাত প্ৰতিফলিত সমাজ জীৱন*

(গৱেষক ঃ লীনা গগৈ)

মধ্যযুগীয় সমাজৰ পৰা সাম্প্ৰতিক সময়লৈকে অসমৰ জাতীয় জীৱনৰ প্ৰেক্ষাপটত গুৰু চৰিত কথাত প্ৰতিফলিত সমাজ জীৱনৰ স্পষ্ট প্ৰভাৱ লক্ষ্য কৰা যায়। গুৰু চৰিত কথাত শঙ্কৰদেৱৰ জীৱন দৰ্শন তথা কীৰ্তন-ঘোষাকে আদি কৰি অন্যান্য সাহিত্য সমূহ ৰচনা কৰাৰ কাৰণ পৃষ্ঠভূমি ইত্যাদি লিপিবদ্ধ হৈ থাকে। ঘৰুৱা জীৱনৰ চিত্ৰ, অভিজাত শ্ৰেণী আৰু নিৰক্ষৰ শ্ৰেণীৰ মুখৰ ভাষা, ঘৰুৱা উপমা, পটন্তৰ

ইত্যাদিৰ প্ৰয়োগ কি দৰে হয় গৱেষণা গ্ৰন্থখনিত আলোচনা কৰা হৈছে। গতিকে প্ৰস্তাৱিত গৱেষণা কাৰ্যত এই গৱেষণা গ্ৰন্থৰ অধ্যয়নে আংশিক সহায় কৰিব বুলি ভবা হৈছে।

*A Critical Study of the Holy Kirtana* :

(Scholar : Joy Krisna Mahanta)

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা পিএইচ.ডি. ডিগ্ৰীৰ বাবে বিবেচিত পৱিত্ৰ *কীৰ্তন-ঘোষাৰ সমীক্ষাত্মক অধ্যয়ন*ৰ গৱেষণাগ্ৰন্থ অধ্যয়ন কৰা হৈছে। উক্ত গ্ৰন্থত কীৰ্তন-ঘোষাৰ পাঠসমীক্ষা, সাহিত্যিক সৌন্দৰ্য ইত্যাদি দিশ ছয়টা মুখ্য অধ্যায়ত আলোচনা কৰা হৈছে।

*অসমীয়া ফকৰা-যোজনাত লোকমন ঃ এটি বস্তুনিষ্ঠ বিশ্লেষণ*

(গৱেষক ঃ চিত্ৰলেখা ফুকন)

এই গৱেষণা গ্ৰন্থখনিত অসমীয়া সমাজ জীৱনত সততে ব্যৱহাৰ হোৱা ফকৰা-যোজনা সমূহত প্ৰকাশ পোৱা লোকমনৰ অধ্যয়ন কৰা হৈছে। কীৰ্তন-ঘোষাতো শঙ্কৰদেৱে বহু ঘৰুৱা বাক্য আৰু ফকৰা-যোজনা ব্যৱহাৰ কৰি থলুৱা লোকমানসিকতাক প্ৰতিনিধিত্ব কৰিছে। গতিকে এই গ্ৰন্থখনিও প্ৰস্তাৱিত গৱেষণাত আংশিক সহায় কৰিব।

**চ) প্ৰকাশিত অভিভাষণ আৰু অন্যান্য ঃ**

*আধুনিক দৃষ্টিত শঙ্কৰদেৱ*

(বক্তা ঃ লক্ষ্মীনন্দন বৰা, ৪ৰ্থ লোকসেৱক হলধৰ ভূঞা স্মাৰক বক্তৃতা, ২০১৮)

আধ্যাত্মিক সাধনাৰ লগে লগে মানৱ সেৱাৰ প্ৰতি আগ্ৰহী কৰি তোলাত শঙ্কৰদেৱৰ দৰ্শনে অতি বিশিষ্ট স্থান লাভ কৰিছে। গীত, নাট, ভটিমা সমূহৰ মাধ্যমেৰে এক সাংস্কৃতিক আলোড়নৰ সূত্ৰপাত কৰি শঙ্কৰদেৱে অসমীয়া সমাজত এক শৃংখলিত জীৱন প্ৰবাহৰ সূচনা কৰিছিল। তেওঁৰ সমগ্ৰ জীৱনৰ প্ৰস্তুতিয়ে আছিল মানুহ হিচাবে মানুহৰ যোগ্যতা নিৰূপণ। সেই বাবে তেওঁ ঈশ্বৰ চৰ্চা, বৌদ্ধিক চৰ্চা আৰু কলা চৰ্চা সমানে কৰিছিল। বক্তব্যটিত আধুনিক বিজ্ঞান সন্মত দৃষ্টিৰে শঙ্কৰদেৱৰ ব্যক্তিত্বক বিশ্লেষণ কৰা হৈছে আৰু কীৰ্তন-ঘোষাৰ নাম প্ৰসঙ্গ তথা হৰি ভক্তিৰ সাংগীতিক ৰূপৰ আলোচনা আগবঢ়াইছে।

*শ্ৰীমন্ত শঙ্কৰদেৱ ঃ দ্ৰষ্টা আৰু স্ৰষ্টা*

(বক্তা ঃ কৰবী ডেকা হাজৰিকা, মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ পঞ্চম প্ৰতিষ্ঠা দিৱস ১০ জুন, ২০১৮)

শঙ্কৰদেৱৰ জীৱনবোধ আৰু জীৱন যাপন কলাৰ আঁৰত থকা অসমীয়া সমাজৰ প্ৰতি থকা সুদুৰপ্ৰসাৰী দৃষ্টিৰ বিষয়ে বক্তাই আলোচনা কৰিছে। শঙ্কৰদেৱ এগৰাকী ধৰ্ম গুৰু তথা অদ্বিতীয় ধৰ্ম প্ৰচাৰক। কিন্তু তেওঁৰ মূল্যবান পৰিচয় হ'ল এগৰাকী সফল আৰু সুদক্ষ সমাজ সংগঠক তথা সমাজ সংস্কাৰক হিচাবেহে। শঙ্কৰদেৱে অসমীয়া সমাজক প্ৰধানকৈ জ্ঞান শিক্ষা, ৰুচি বোধ, সাংস্কৃতিক চেতনা, সুকুমাৰ কলাৰ জ্ঞান আৰু নিকা জীৱন যাপনৰ নিয়মসমূহ সাৰ্থকভাৱে জনাই দিছিল। গ্ৰাম্য অৰ্থনীতিৰ লগত পৰিচিত শঙ্কৰদেৱে ভক্তসকলক থলুৱা উপাদানৰে নামঘৰ সাজি তাত বিভিন্ন শিক্ষামূলক কৰ্ম তথা বৃত্তিৰ বাবে উৎসাহিত কৰিছিল। বিশিষ্ট প্ৰকৃতিৰ পুথি কীৰ্তন-ঘোষাৰ মাধ্যমেৰে সৰল অনাখৰী সমাজখনত নৱবৈষ্ণৱ ধৰ্মৰ ধাৰাটো বিলাই দিছিল। বক্তাই শঙ্কৰদেৱৰ কীৰ্তন-ঘোষা আৰু মাধৱদেৱৰ নামঘোষা পুথিৰ আলমতেই অসমৰ ধৰ্মীয় সংগীতৰ দিশটো চহকী হৈছিল বুলি ব্যাখ্যা আগবঢ়াইছে।

*সাম্প্ৰতিক সমাজত শ্ৰীমন্ত শঙ্কৰদেৱৰ শিক্ষাৰ প্ৰাসঙ্গিকতা*

(বক্তা ঃ সূৰ্য্য হাজৰিকা, লোকসেৱক হলধৰ ভূএঞা স্মাৰক বক্তৃতা, ২০১৭)

অভিভাষণটিত বক্তাই বৰ্তমান সময়ত শঙ্কৰদেৱৰ শিক্ষা তথা দৰ্শনৰ গুৰুত্ব সম্পৰ্কে বক্তব্য আগবঢ়াইছে। শঙ্কৰদেৱে গীত ৰচনা, কাব্য ৰচনা, নাট ৰচনা, অনুবাদকৰণৰ শিক্ষা, সাংস্কৃতিক শিক্ষা, শঙ্কৰী নৃত্যধাৰাৰ শিক্ষা, বাদ্য শিক্ষা, মঞ্চ নিৰ্দেশনা শিক্ষা, নাট পৰিচালনা শিক্ষা, সংগীত পৰিচালনা শিক্ষা, সাজসজ্জাৰ পৰিচালনা শিক্ষা, পৰিষ্কাৰ পৰিচ্ছন্নতাৰ শিক্ষা, অহিংস নীতিৰ শিক্ষা, উদাৰ মনোভাৱৰ শিক্ষা, স্বাস্থ্য বিষয়ক শিক্ষাকে আদি কৰি অসমীয়া সমাজত বিবিধ গুৰুত্বপূৰ্ণ শৈক্ষিক পৰিৱেশৰ সৃষ্টি কৰিছিল। এই শিক্ষাসমূহৰ মাধ্যম ধৰ্ম হ'লেও ই আছিল অসমীয়া জাতিৰ বুনিয়াদ ৰচনাৰ ভিত্তি। বক্তব্যটিত বক্তাই কীৰ্তন-ঘোষাৰ বিভিন্ন খণ্ডৰ পৰা উদাহৰণ দি উক্ত শিক্ষা নীতিৰ তাৎপৰ্য্য ব্যাখ্যা কৰিছে। ইয়াৰ অন্তৰালত অসমীয়া লোকজীৱনে প্ৰাধান্য পাইছে।

### ০.৩ **অধ্যয়নৰ গুৰুত্ব আৰু উদ্দেশ্য ঃ**

**(ক) অধ্যয়নৰ গুৰুত্ব ঃ** প্ৰাচীন অসমীয়া ধৰ্মীয় কাব্যসমূহৰ ভিতৰত সবাতোকৈ জনপ্ৰিয় কাব্যগ্ৰন্থ শঙ্কৰদেৱৰ কীৰ্তন-ঘোষা। অসমৰ লোকজীৱন আধ্যাত্মিক চেতনাৰে ভাৰতবৰ্ষৰ অন্যান্য প্ৰদেশৰ তুলনাত যথেষ্ট

চহকী। ইয়াৰ মূলতে আছে শঙ্কৰদেৱৰ নৱ-বৈষ্ণৱ ধৰ্মৰ জৰিয়তে জনসাধাৰণক প্ৰদান কৰা আধ্যাত্মিক শিক্ষা। শঙ্কৰদেৱে আধ্যাত্মিকতাৰ মাধ্যমৰে সমাজক শৃংখলাবদ্ধ তথা পৰিস্কাৰ-পৰিচ্ছন্ন জীৱন-নিৰ্বাহ প্ৰণালী প্ৰদান কৰিছিল। 'কীৰ্তন- পুথি'ৰ মাজেদি এক সৰল আৰু আনন্দময় পদ্ধতিৰে লোকসমাজে সংস্কৃত ভাগৱত পুৰাণ আৰু বেদ-বেদান্তৰ জ্ঞান লাভ কৰিছিল। তাৰ যোগেদি তেওঁলোক উচ্চ-পৰ্য্যায়ৰ তত্ত্বজ্ঞানেৰে চহকী হৈছিল। তদুপৰি অসমৰ সমাজ জীৱনত সমতাৰ সৃষ্টি কৰা আৰু গীত নাট আদিৰ সংস্কৃতি চৰ্চাৰ কেন্দ্ৰস্বৰূপে যি নামঘৰৰ সৃষ্টি কৰা হৈছিল; সেই নামঘৰো প্ৰাথমিক অৱস্থাত ঘাইকৈ কীৰ্তন-ঘোষা অনুশীলনৰ বাবেহে নিৰ্মাণ কৰা হৈছিল। অসমীয়া মানুহক ধৰ্মীয় সাহিত্যিক, সাংস্কৃতিক আৰু পৰিৱেশ্য কলাৰ চেতনা দান কৰাত কীৰ্তন পুথিৰ বিশেষ ভূমিকা দেখা যায়। প্ৰস্তাৱিত গৱেষণাকাৰ্যৰ মূল পটভূমি অসমীয়া লোকজীৱন। পৰম্পৰাগত জীৱন-যাত্ৰাৰ ধৰ্মীয় দিশটোৰ লগত শংকৰদেৱৰ-কীৰ্তন ঘোষা এক অপৰিহাৰ্য অংগ। শঙ্কৰদেৱে একশৰণ হৰিনাম ধৰ্মৰ জৰিয়তে অসমীয়া সমাজলৈ অভূতপূৰ্ব জাগৰণৰ সূচনা কৰিছিল। এই জাগৰণত মুখ্য ভূমিকা গ্ৰহণ কৰিছিল কীৰ্তন-ঘোষা পুথিখনিয়ে। শ্ৰৱণ-কীৰ্তনৰ উপযোগীকৈ অনাখৰী লোকৰ সহজবোধ্য পুৰণি অসমীয়া ভাষাত এই পুথি ৰচিত। শঙ্কৰদেৱে সূক্ষ্মভাৱে সমসাময়িক অসমীয়া সমাজৰ শিক্ষা, সংস্কৃতি, জীৱিকা, আদৰ্শ, পৰম্পৰা, সুকুমাৰ কলাৰ বিবিধ দিশসমূহ পৰ্যবেক্ষণ কৰিছিল। কীৰ্তন-ঘোষাত উক্ত দিশসমূহ কম-বেছি পৰিমাণে প্ৰকাশ পাইছিল। পাঁচ শতাধিক বৰ্ষৰো অধিক কাল জুৰি অসমীয়া জন-জীৱনত এই পুথিৰ প্ৰভাৱ অতিকে লক্ষণীয়। অসমীয়া লোক-জীৱনৰ পৱিত্ৰ স্থান থাপনাত স্থান লাভ কৰা পুথিখনিৰ অধ্যয়নৰ বৰ্তমান বিদ্যায়তনিক বিষয়ৰূপেও স্বীকৃত হৈছে। সামগ্ৰিক ভাৱে পুথিখনিয়ে অসমীয়া লোকজীৱনক কেনেভাৱে প্ৰভাৱিত কৰিছে, সেই বিষয়তে আলোচনা কৰিব বিচৰা হৈছে। গতিকে অসমীয়া লোকজীৱনত কীৰ্তন-ঘোষাৰ প্ৰভাৱ অত্যন্ত গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে।

খ) **অধ্যয়নৰ উদ্দেশ্য ঃ**

অধ্যয়নৰ উদ্দেশ্য হিচাপে নিম্নোক্ত দিশকেইটা উল্লেখ কৰা হ'ল--

১) অসমৰ লোকজীৱনক একতাৰ সূত্ৰৰে বান্ধি ৰখাত কীৰ্তন-পুথিৰ ভূমিকা বিচাৰ কৰা।

২) পাঁচশ বছৰৰো অধিক কাল কীৰ্তন পুথিয়ে অসমীয়া লোকজীৱনৰ ধৰ্মীয় দিশটো নিয়ন্ত্ৰণ কৰি ৰখাৰ কাৰণসমূহ বিচাৰ কৰা।

৩) অসমীয়া মানুহৰ সাংস্কৃতিক চেতনাৰ বিকাশত কীৰ্তন পুথিয়ে গ্ৰহণ কৰা ভূমিকাৰ বিষয়ে সন্ধান কৰা।

৪) অসমৰ সামাজিক জীৱন শৃংখলাবদ্ধ কৰি ৰখাত কীৰ্তনৰ ভূমিকা বিচাৰ কৰা।

৫) লোকপৰিৱেশ্য কলাত কীৰ্তন পুথিৰ অৱদান আলোচনা কৰা।

৬) অসমীয়া সাহিত্যত কীৰ্তন-ঘোষাৰ প্ৰভাৱ সম্পৰ্কে আলোচনা কৰা।

**০.৪ অধ্যয়নৰ পৰিসৰ ঃ**

বিষয়টিৰ গৱেষণাত কীৰ্তন-ঘোষাৰ শঙ্কৰদেৱৰ কৃত ২৮ টি খণ্ড ব্যৱহাৰ কৰা হৈছে। কীৰ্তন-ঘোষাত পৰিশিষ্টত সন্নিৱিষ্ট শঙ্কৰদেৱৰ আন দুটি খণ্ড আৰু মাধৱদেৱ, ৰত্নাকৰ কন্দলি, শ্ৰীধৰ কন্দলিয়ে ৰচনা কৰা খণ্ডকেইটি আলোচনাৰ বাবে লোৱা হৈছে। সৰ্বমুঠ ৩৩ টা খণ্ড আলোচনাৰ বাবে লোৱা হৈছে। প্ৰস্তাৱিত গৱেষণাৰ বিষয়টোত অসমীয়া লোকজীৱনত কীৰ্তন-ঘোষাৰ প্ৰভাৱ সম্পৰ্কে আলোচনা কৰা হ'ব, গতিকে কীৰ্তন-ঘোষাত সন্নিৱিষ্ট হোৱা সম্পূৰ্ণ খণ্ডসমূহ আলোচনালৈ অনা হ'ব। অৱশ্যে কীৰ্তন ঘোষাৰ দৰ্শন, ছন্দ, অলংকাৰ, বৰ্ণনা নৈপুণ্য আদি সম্পৰ্কে বিস্তৃত আলোচনা কৰা নহ'ব। কেৱল অসমৰ লোকজীৱনত প্ৰভাৱ পেলোৱা দিশ কেইটাইহে আলোচনাত প্ৰাধান্য লাভ কৰিব।

**অধ্যয়নৰ সমস্যা ঃ**

গৱেষণাৰ বাবে সমগ্ৰ অসমৰ প্ৰতিখন জিলাতে ক্ষেত্ৰ অধ্যয়নত কৰা সম্ভৱ নহ'ল। উজনি অসমৰ কিছুসংখ্যক জিলাৰ পটভূমিতে অধ্যয়ন কৰা হ'ল। গতিকে আমাৰ অধ্যয়ন সীমাবদ্ধ হৈ ৰ'ল।

বৃহত্তৰ অসমীয়া জাতিৰ মাজতে কীৰ্তন-ঘোষাৰ প্ৰভাৱ অতি বিশিষ্ট । গৱেষণাৰ সীমাবদ্ধ সময়-সীমাত অসমৰ সকলো জনগোষ্ঠীৰ ধৰ্মীয় লোকাচাৰ বাছি উলিওৱাটো কষ্টসাধ্য হৈছে। গতিকে গৱেষণাকাৰ্যত সামগ্ৰিক ভাৱে অসমৰ থলুৱা জীৱনযাত্ৰাৰ প্ৰতিচ্ছৱি সংগ্ৰহ কৰোঁতে ত্ৰুটি থাকি যাব পাৰে।

**০.৬ তথ্যৰ উৎস আৰু পদ্ধতি ঃ**

১০ খন ছপা, দুখন কথা কীৰ্তন আৰু পাঁচখন সাঁচিপতীয়া পুথি মূখ্য উৎস ৰূপে লোৱা হৈছে। সবিশেষ পৰিশিষ্টত দিয়া হৈছে। আলোচনাৰ বাবে ঘাই আধাৰ ৰূপে মহেশ্বৰ নেওগে সম্পাদনা কৰা পুথিখন গ্ৰহণ কৰা হৈছে। কাৰণ এইখনিৰ পাতনি, পৰিশিষ্ট আৰু মূল পাঠ যুক্তিপূৰ্ণ আৰু তথ্যপূৰ্ণ বুলি

বোধ কৰা হ'ল। প্ৰস্তাৱিত গৱেষণাকাৰ্যৰ পৃষ্ঠভূমি বৃহত্তৰ অসমীয়া সমাজখন। গতিকে সমাজতাত্ত্বিক দৃষ্টিভঙ্গীৰে চাৰ্ভে (Survey), ব্যক্তি অধ্যয়ন পদ্ধতি, গোষ্ঠী অধ্যয়নৰ পদ্ধতি আদিৰ জৰিয়তে সংগৃহীত তথ্য বিশ্লেষণ কৰি বিশ্লেষণাত্মক ৰীতি অনুসৰি প্ৰণালীবদ্ধভাৱে গৱেষণা কাৰ্য আগবঢ়াই নিয়াৰ প্ৰয়াস কৰা হ'ব। স্থানবিশেষে বৰ্ণনাত্মক পদ্ধতিও ব্যৱহাৰ কৰা হৈছে।

**০.৭ প্ৰাককল্পনা ঃ**

১) শঙ্কৰদেৱে একশৰণ হৰিনাম ধৰ্মৰ প্ৰসাৰণৰ বাবে গ্ৰহণ কৰা অভিনৱ কাৰ্যসূচী হৰিনাম চৰ্চাৰ সমূহীয়া শ্ৰৱণ-কীৰ্তন ব্যৱস্থাপনাই অসমীয়া লোকজীৱনক একতাৰ দোলেৰে বান্ধি ৰখাৰ প্ৰমাণ পোৱা যাব

২) পাঁচশ-বছৰৰো অধিক কাল কীৰ্তন-ঘোষাই অসমীয়া লোকজীৱনৰ ধৰ্মীয় দিশটো নিয়ন্ত্ৰণ কৰি অহাৰ কাৰণ হিচাপে পুথিখনিৰ মাজত নিহিত থকা লোক-কাব্যিক অভিব্যঞ্জনা নিৰ্দেশিত কৰিব পৰা যাব।

৩) কীৰ্তন-ঘোষাৰ শ্ৰৱণ-কীৰ্তন অৰ্থাৎ পৰিৱেশন ৰীতিয়ে মানুহৰ শান্ত-সমাহিত সাংস্কৃতিক চেতনা বিকাশত সহায় কৰিছে বুলি প্ৰমাণিত হ'ব।

৪) কীৰ্তন-ঘোষাৰ গায়ন পদ্ধতিত সংগীতচৰ্চাৰ লগতে হাত চাপৰি যুক্ত শাৰীৰিক নৃত্যভঙ্গীমাই পুথিখনিৰ লগত লোক-পৰিবেশ্য কলাৰ সম্পৰ্ক নিশ্চিত কৰে বুলি প্ৰমাণ কৰিব পৰা যাব।

৫) কীৰ্তন-পুথিৰ প্ৰত্যক্ষ বা পৰোক্ষ প্ৰভাৱযুক্ত বিভিন্ন আধুনিক অসমীয়া সাহিত্যই অসমীয়া সমাজত শঙ্কৰী দৰ্শনৰ সুদূৰপ্ৰসাৰী স্থায়িত্ব নিৰূপনত সহায় কৰিছে বুলি নিশ্চিত কৰিব পৰা যাব।